# মাছ উৎপাদন- মীন আইন

অসমৰ থলুৱা মাছসমূহৰ কিছুমান প্ৰজাতি বিলুপ্তিৰ পথত। আমাৰ থলুৱা মাছসমূহৰ সংৰক্ষণ তথা সুৰক্ষাৰ বাবে থাইলেণ্ড মাগুৰ, টিলাপিয়া, বিগহেড আদি বিদেশী মাছসমূহৰ প্ৰজনন তথা পালন কৰাটো ভাৰতীয় আইন মতে দণ্ডনীয়। ওপৰোক্ত জাতৰ মাছসমূহে আমাৰ প্ৰাকৃতিক জলৰাশিত প্ৰৱেশ কৰিলে থলুৱা জাতৰ মাছসমূহ সম্পূৰ্ণৰূপে বিলুপ্ত হ'ব পাৰে। অসমৰ মীন উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰ তথা মীন বিভাগে অসমৰ বলবৎ কৰা বিভিন্ন আইনী ধাৰাসমূহ তলত দিয়া হ'ল।

১। ১ মে'ৰ পৰা ১৫ জুলাইলৈ ৭ ছেঃ মিঃ বাৰ/১৪ ছেঃ মিঃ তকৈ (২.৭ ইঞ্চি/৫.৫ ইঞ্চি) কম পাহৰ যিকোনো জাল কোনো ঘোষিত মীন মহলত ব্যৱহাৰ কৰা নিষেধ।

২। ১ ছেঃ মিঃ বাৰ/২ ছেঃ মিঃ তকৈ কম পাহৰ আঁঠুৱা জাল গোটেই বছৰজুৰি মীন মহলত ব্যৱহাৰ কৰা নিষেধ।

৩। ১ মে'ৰ পৰা ১৫ জুলাইলৈ মাছৰ প্ৰজনন ঋতুৰ সময়ত ৰৌ, বাহু, মিৰিকা, মালি (কলিয়াজাৰ) চিতল, খৰিয়া, পিঠিয়া, ঘৰীয়া আৰু কুঢ়ী আদি প্ৰজাতিৰ কণী বা শুক্ৰ থকা গাভিনী মাছ ঘোষিত মীন মহলত মাৰিব নোৱাৰিব।

৪। ১ আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ বাহু, মিৰিকা খৰিয়া, পিঠিয়া, ঘৰীয়া আদি মাছৰ ২৩ ছেঃ মিঃ (৯ ইঞ্চি) দৈৰ্ঘ্যতকৈ তলৰ আৰু কলীয়াজাৰ (মালি), কুঢ়ী, ভাঙোন মাছৰ ১০ ছেঃ মিঃ (৩.৯ ইঞ্চি) দৈৰ্ঘ্যতকৈ তলৰ সৰু সৰু মাছ, খোৱা বা বেচাৰ বাবে ধৰিব বা মাৰিব নোৱৰিব। সৰু মাছৰ ক্ষেত্ৰত উক্ত বাধা নিষেধ মীন বিভাগৰ অনুমতি সাপেক্ষে কেৱল 'মীন পালনৰ'ৰ বাবে শিথিলকৰণ হ'ব পাৰে। যদি মাছ মৰাৰ সময়ত তেনে মাছ জালত পৰে; তেনে হ'লে জীয়াই জীয়াই উক্ত মীন মহলত এৰি দিব লাগিব নাইবা মীন বিভাগে সময়ে সময়ে নিৰ্ধাৰিত কৰি দিয়া মূল্যত মীন বিভাগক যোগান ধৰিব লাগিব।

৫। ১ মে'ৰ পৰা ১৫ জুলাইলৈ কোনো নদী, ডোবা, বিল বা মীন মহলত ৭ বৰ্গ ছেঃ মিঃ তকৈ (২.৭ বৰ্গ ইঞ্চি) সৰু ফাঁকৰ অস্থাৰৰ বানা (বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি) মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱৰিব।

ভাৰতীয় মীন আইন ১৮৯৭ ৰ ৭(১) ধাৰা অনুসৰি উক্ত আইন ভঙ্গকাৰীসকল দণ্ডাধীশ, আৰক্ষী বিষয়া তথা মীন বিভাগৰ সম্প্ৰসাৰণ বিষয়া বা তাতকৈ উচ্চ পৰ্যায়ৰ যিকোনো বিষয়াই গ্ৰেপ্তাৰ কৰাৰ উপৰি বিধি অনুযায়ী শাস্তিমূলক ব্যৱস্থাও গ্ৰহণ কৰিব পাৰে। অকল যে আইন বলবৎ কৰিলেই অসম মীন উৎপাদনত স্বাৱলম্বী হ'ব পাৰিব এইটোও সত্য নহয়। এইক্ষেত্ৰত চৰকাৰ তথা মীন বিভাগৰ উপৰি প্ৰয়োজন প্ৰতিজন অসমবাসীয়েই ঐকান্তিক প্ৰচেষ্টা তথা আন্তৰিক সহযোগিতাৰ।